**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 28-10-2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু স্পেইনৰ প্ৰধানমন্ত্ৰী পেড্ৰো ছানচেজে আজি যুটীয়াভাৱে বাডোদ্ৰাত চি-২৯৫ সামৰিক বিমানৰ বাবে টাটা এয়াৰক্ৰাফ্‌ট কমপ্লেক্স মুকলি কৰিব।

২। দুৰ্নীতিমুক্ত সমাজৰ লক্ষ্যত উপনীত হোৱা তথা ৰাজহুৱা জীৱনত ন্যায়পৰায়নতাৰ ভাৱাদৰ্শ সংবৰ্ধনৰ উদ্দেশ্যে আজিৰ পৰা দেশজুৰি সতৰ্কতা সজাগতা সপ্তাহ পালন কৰা হৈছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটৰ অমৰেলিৰ পৰা ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে ভূজ-নালীয়া ৰে'লপথ ব্ৰডগজলৈ উন্নীতকৰণ প্ৰকল্প দেশৰ নামত উৎসৰ্গা কৰিব। **আৰু**

৪। মহিলা ক্ৰিকেটত ভাৰত আৰু নিউজিলেণ্ডৰ মাজত অনুষ্ঠিত দ্বিতীয়খন আন্তঃৰাষ্ট্ৰীয় খেলত নিউজিলেণ্ডে ভাৰতক ৭৬ ৰানত পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু স্পেইনৰ প্ৰধানমন্ত্ৰী পেড্ৰো ছানচেজে আজি যুটীয়াভাৱে বাডোদ্ৰাত চি-২৯৫ সামৰিক বিমানৰ বাবে টাটা এয়াৰক্ৰাফ্‌ট কমপ্লেক্স মুকলি কৰিব। এয়া হ'ব ভাৰতৰ সামৰিক বিমানৰ বাবে প্ৰথমটো ব্যক্তিগত খণ্ডৰ ফাইনেল এছেম্বলি লাইন। এই কাৰ্যসূচীত টাটাৰ উপৰিও ভাৰত ইলেকট্ৰনিকছ লিমিটেড আৰু ভাৰত ডায়নেমিকছ লিমিটেডৰ দৰে প্ৰতিৰক্ষা ৰাজহুৱা খণ্ডৰ অগ্ৰণী গোটসমূহৰ লগতে ব্যক্তিগত ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগসমূহেও অৰিহণা যোগাব। আকাশবাণী আহমেদাবাদাৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি বাডোদ্ৰাত উপস্থিত হোৱাৰ পাছতেই দুয়োগৰাকী নেতাই এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। ইয়াৰ পাছত নেতা দুগৰাকীৰ মাজত প্ৰতিনিধি পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে টাটা এয়াৰবাছ প্ৰকল্প হৈছে মেক ইন ইণ্ডিয়া পদক্ষেপৰ অধীনত সামৰিক বিমানৰ বাবে গ্ৰহণ কৰা দেশৰ প্ৰথমটো ব্যক্তিগত খণ্ডৰ এৰোস্পেচ প্ৰকল্প। এই প্ৰকল্পই ভাৰত আৰু স্পেইনৰ মাজৰ কৌশলগত প্ৰতিৰক্ষা সম্পৰ্কক সুদৃঢ় কৰিব। ২০২২ চনৰ অক্টোবৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাডোদ্ৰা ফাইনেল এছেম্বলি লাইনৰ আধাৰশিলা স্থাপন কৰিছিল।

০০০০০

দুৰ্নীতিমুক্ত সমাজৰ লক্ষ্যত উপনীত হোৱা তথা ৰাজহুৱা জীৱনত ন্যায়পৰায়নতাৰ ভাৱাদৰ্শ সংবৰ্ধনৰ উদ্দেশ্যে আজিৰ পৰা দেশজুৰি সতৰ্কতা সজাগতা সপ্তাহ পালন কৰা হৈছে। এই কাৰ্যসূচীৰ বিষয়বস্তু হৈছে- দেশৰ সমৃদ্ধিৰ হকে একতাৰ সংবৰ্ধন। লোক প্ৰশাসন আৰু শাসন ব্যৱস্থাত স্বচ্ছতা তথা নীতি-নিয়মৰ প্ৰয়োজনীয়তা সন্দৰ্ভত ব্যাপক সচেতনতা সৃষ্টিৰ উদ্দেশ্যে এই সপ্তাহ পালন কৰা হয়। মন্ত্ৰালয়, বিভাগ, ৰাজহুৱা অধিগ্ৰহণৰ সংস্থা, বেংক তথা অন্যান্য সংস্থাসমূহৰ কৰ্মচাৰীসকলৰ শপতগ্ৰহণৰ জৰিয়তে এই কাৰ্যসূচী আৰম্ভ হ'ব। এই সময়ছোৱাত দুৰ্নীতি বিৰোধী সমাজ গঢ়ি তোলাৰ উদ্দেশ্যে কেইবাটাও কাৰ্যসূচী

গ্ৰহণ কৰা হ'ব। ভাৰতৰত্ন চৰ্দাৰ বল্লৰভাই পেটেলৰ জন্মদিৱসৰ সৈতে সংগতি ৰাখি প্ৰতিবছৰে এই সময়ছোৱাত সতৰ্কতা সজাগতা সপ্তাহ পালন কৰা হয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটৰ অমৰেলিৰ পৰা ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে ভূজ-নালীয়া ৰে'লপথ ব্ৰডগজলৈ উন্নীতকৰণ প্ৰকল্প দেশৰ নামত উৎসৰ্গা কৰিব। প্ৰায় এহেজাৰ ১০০ কোটি টকা ব্যয় সাপেক্ষে এই ১০১ দশমিক ৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ প্ৰকল্পটো সম্পূৰ্ণ কৰা হৈছে। পশ্চিম ৰে'লৱেৰ মুখ্য জনসম্পৰ্কীৰক্ষী বিষয়া ৱিনীত অভিষেকে এই প্ৰকল্পই গুজৰাটৰ কচ্ছ্ অঞ্চলত অৰ্থনৈতিক কাম-কাজ ত্বৰান্বিত কৰাৰ লগতে পৰিবহণ ব্যৱস্থা সুলভ তথা সুচল কৰি তুলিব বুলি আশা প্ৰকাশ কৰিছে।  এই ব্যাপক পৰিসৰৰ প্ৰকল্পৰ অধীনত ২৪ খন বৃহৎ আৰু ২৫৪ খন ক্ষুদ্ৰ দলং, ৩খন উৰণ সেতু আৰু ভূমিৰ তলৰ ৩০ খন দলং সামৰি লোৱা হৈছে। গুজৰাটৰ কচ্ছ্ জিলাৰ আৰ্থসামাজিক উন্নয়ন ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত এই প্ৰকল্পই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। ভূজ-নালীয়া ৰে'লপথে অঞ্চলটোক অন্যান্য ৰে'লপথসমূহৰ সৈতে ব্ৰডগজৰ জৰিয়তে সুন্দৰকৈ সংযোগ কৰিছে। ইয়াৰ জৰিয়তে অঞ্চলটোত পৰ্যটনৰ সা-সুবিধাৰ লগতে নিয়োগৰ সুবিধাও বৃদ্ধি হ'ব। এই প্ৰকল্পই অঞ্চলটোৰ চিমেণ্টৰ উদ্যোগসমূহকো উপকৃত কৰিব। তদুপৰি কচ্ছ্ জিলাৰ বন্দৰসমূহৰ জৰিয়তে আমদানি-ৰপ্তানিৰ সুবিধাসমূহো ত্বৰান্বিত হ'ব বুলি আশা কৰা হৈছে।

০০০০০

অহা ২০ নৱেম্বৰত হ'বলগীয়া মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছে ১৪ গৰাকী প্ৰাৰ্থীৰ চতুৰ্থখন তালিকা প্ৰকাশ কৰিছে। দলে অন্ধেৰী পশ্চিম বিধানসভা আসনৰ বাবে শচীন সাৱন্তৰ সলনি অশোক যাদৱক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। আনহাতে নালাছুপাৰা বিধানসভা সমষ্টিৰ পৰা সন্দীপ পাণ্ডে আৰু শিৱাজীনগৰ পৰা দত্তাট্ৰে বাহিৰতে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ কাইলৈ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডিজিটেল এৰেষ্টৰ নামত চলা প্ৰৱঞ্চনাক লৈ উদ্বেগ প্ৰকাশ কৰিছে। আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ ১১৫ সংখ্যক খণ্ডৰ যোগেদি ৰাষ্ট্ৰক সম্বোধন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, ডিজিটেল এৰেষ্টৰ নামত চলা এনে ধৰণৰ প্ৰৱঞ্চনা ৰোধ কৰাৰ বাবে সকলো তদন্তকাৰী সংস্থাই একেলগে কাম কৰি আছে। আইনৰ অধীনত কোনো লোকক ডিজিটেল এৰেষ্ট কৰাৰ কোনো ব্যৱস্থা নাই বুলি তেওঁ প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, সকলো শ্ৰেণী আৰু বয়সৰ লোক ডিজিটেল এৰেষ্টৰ বলি হৈছে আৰু ভয়ৰ বাবেই তেওঁলোকে লাখ লাখ টকাৰ লোকচান ভৰিবলগীয়া হৈছে। প্ৰধানমন্ত্ৰীয়ে এনেধৰণৰ প্ৰৱঞ্চনামূলক ফোন লাভ কৰিলে ভীতিগ্ৰস্ত নহ'বলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। তেওঁ লগতে এনে ঘটনা সংঘটিত হ'লে ভুক্তভোগীক পৰামৰ্শৰ বাবে ৰাষ্ট্ৰীয় চাইবাৰ হেল্পলাইন নম্বৰ **১৯৩০** ফোন কৰিবলৈ আৰু cybercrime.gov.inত ঘটনাৰ সবিশেষ জনাবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। তেওঁ কয় যে, চৰকাৰী সংস্থাসমূহৰ মাজত সমন্বয়ৰ বাবে ৰাষ্ট্ৰীয় চাইবাৰ সমন্বয় কেন্দ্ৰ স্থাপন কৰা হৈছে।

০০০০০

ডিচলেক্সিয়া সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে ৰাষ্ট্ৰপতিভৱন, সংসদভৱন, ইণ্ডিয়া গে'ট তথা অন্যান্য চৰকাৰী কাৰ্যালয়সমূহ ৰঙা পোহেৰেৰে সজাই তোলা হৈছে। আন্তঃৰাষ্ট্ৰীয় ডিচলেক্সিয়া সজাগতা মাহ

অক্টোবৰৰ সৈতে সংগতি ৰাখি এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই কাৰ্যসূচীৰ উদ্দেশ্যে হৈছে ডিচলেক্সিয়া ৰোগ সন্দৰ্ভত থকা বৈষম্যতা দূৰ কৰাৰ লগতে সমাজৰ পৰা এই সম্পৰ্কীয় ভুল ধাৰণাসমূহ দূৰ কৰি সজাগতা সৃষ্টি কৰা। এই উদ্দেশ্যে নতুন দিল্লীৰ বিজয় চ'কৰ পৰা ইণ্ডিয়া গে'টলৈ ৰাক ফৰ ডিচলেক্সিয়া শীৰ্ষক কাৰ্যসূচীও ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীৰ জৰিয়তে শিক্ষণৰ অসুবিধা থকা ব্যক্তিসকলৰ বাবে সমান সুযোগ তথা সুবিধা আগবঢ়োৱাৰ গুৰুত্ব আৰু এনে ব্যক্তিসকলক সমৰ্থন কৰাৰ বাবে সমূহীয়া পদক্ষেপৰ প্ৰয়োজন প্ৰতিফলিত কৰা হৈছে।

ooooo

কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহাই এইবছৰৰ ৫২ দিনীয়া শ্ৰীঅমৰনাথ যাত্ৰাৰ অংশ হোৱা সকলো প্ৰশাসনিক বিষয়া, জম্মু-কাশ্মীৰ আৰক্ষী, সেনা, বায়ুসেৱা, চি আৰ পি এফ, তৎকালীন আৰু স্বাস্থ্যসেৱা, শ্ৰীঅমৰনাথ দেৱোত্তৰ সমিতি তথা স্বেচ্ছাসেৱকসকলক সন্মানিত কৰে। ৰাজ্যখনৰ ৰাজভৱন প্ৰেক্ষাগৃহত অনুষ্ঠিত এই অনুষ্ঠানত উপ-ৰাজ্যপালগৰাকীয়ে সকলো বিষয়া, অংশীদাৰী তথা সেৱা প্ৰদানকাৰীসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰাৰ লগতে এই যাত্ৰা নিয়াৰিকৈ পৰিচালনা কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ প্ৰচেষ্টাৰ প্ৰশংসা কৰে। শ্ৰী সিনহাই কয় যে, অমৰনাথ যাত্ৰা হৈছে আমাৰ আধ্যাত্মিক ঐতিহ্যৰ শ্বাশত প্ৰতীক আৰু ই আমাৰ আধ্যাত্মিক যাত্ৰাৰ অনুসন্ধানক প্ৰতিনিধিত্ব কৰাৰ লগতে অনৈক্যৰ মাজত ঐক্য আৰু ভাতৃত্ববোধৰ মূল্য অনুধাৱন কৰিবলৈ শিকায়। উল্লেখযোগ্য যে এই বছৰ ৫ লাখ ১২ হাজাৰ ২৫২ গৰাকী তীৰ্থযাত্ৰীয়ে পৱিত্ৰ অমৰনাথ গুহা দৰ্শন কৰে। বিগত ১২ বছৰত এইবাৰ প্ৰথমবাৰৰ বাবে সৰ্বাধিক সংখ্যক তীৰ্থযাত্ৰীয়ে অমৰনাথ যাত্ৰাত অংশগ্ৰহণ কৰে।

ooooo

ইৰাণত আজি ৰাষ্ট্ৰসংঘৰ সুৰক্ষা পৰিষদৰ এখন বৈঠক আহ্বান কৰাৰ পৰিপ্ৰেক্ষিতত দেশখনৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, তেওঁলোকে বিগত সপ্তাহত ইজৰাইলৰ বিমান আক্ৰমণ সন্দৰ্ভত আলোচনা কৰিব। ইৰাণৰ ৰাষ্ট্ৰপতি মছুদ পেজেস্কিয়ানে কয় যে, তেহৰাণে যুদ্ধ হোৱাটো নিবিচাৰে কিন্তু ইজৰাইলৰ আক্ৰমণৰ উচিত সঁহাৰি দিব। ইফালে আমেৰিকা যুক্তৰাষ্ট্ৰই মধ্য প্ৰাচ্যৰ সৰ্ববৃহৎ সামৰিক শক্তিৰ মাজত আক্ৰমণ-প্ৰত্যাক্ৰমণৰ এই ধাৰাই পূৰ্ণাংগ ক্ষেত্ৰীয় যুদ্ধৰ সৃষ্টি কৰিব পাৰে বুলি শংকা প্ৰকাশ কৰিছে।

ইজৰাইল আক্ৰমণৰ পাছতেই দেশখনৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যহুৱে কয় যে, বায়ুসেনাই সমগ্ৰ ইৰাণতে আক্ৰমণ চলায় আৰু ইৰাণৰ প্ৰতিৰক্ষা ক্ষমতা তথা ক্ষেপনাস্ত্ৰ নিৰ্মাণ কৰাৰ সামৰ্থক প্ৰচণ্ডভাৱে প্ৰহাৰ কৰে।

ooooo

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **ডেংগুৰ কাৰণ, লক্ষণ আৰু প্ৰতিৰোধ** সন্দৰ্ভত লেডি হাৰ্ডিংজ চিকিৎসা মহাবিদ্যালয়ৰ মেডিচিন বিভাগৰ অধ্যাপক ডা০ অনুপম প্ৰকাশৰ সৈতে হোৱা এলানি বিশেষ আলোচনা সম্প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি সমল ব্যক্তিগৰাকীক ডেংগুৰ সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। তেওঁলোকে লগতে ৰাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহৰ যোগেদি এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। শ্ৰোতাসকলে আমাৰ ৱেৰছাইট

newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

ooooo

মহিলা ক্রিকেটত ভাৰত আৰু নিউজিলেণ্ডৰ মাজত আহমেদাবাদাত অনুষ্ঠিত দ্বিতীয়খন আন্তঃৰাষ্ট্ৰীয় খেলত নিউজিলেণ্ডে ভাৰতক ৭৬ ৰানত পৰাস্ত কৰে। খেলখনত প্ৰথমে বেট ধৰি নিউজিলেণ্ডে নিৰ্ধাৰিত ৫০ অভাৰত ৯টা উইকেট হেৰুৱাই ২৫৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ভাৰতীয় দলটোৱে ৪৭ অভাৰ এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৮৩ ৰানহে কৰিবলৈ সমৰ্থ হয়। নিউজিলেণ্ডৰ হৈ ছ'ফি ডিৱাইনে সৰ্বাধিক ৭৯ ৰানৰ বৰঙণি আগবঢ়ায়। উল্লেখযোগ্য যে দল দুটাৰ মাজত চলি থকা তিনিখনীয়া শৃংখলাৰ বৃহস্পতিবাৰে অনুষ্ঠিত প্ৰথমখন খেলত ভাৰতে নিউজিলেণ্ডক ৫৯ ৰানত পৰাস্ত কৰিছিল।

ooooo

সমাপ্ত